নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ৩১৬ দেওবাৰ ১৩ আহিন ১৯৪৫ শক ১ অক্টোবৰ ২০২৩ চন ASOMIYA KHABAR JORHAT SUNDAY

### ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ উদ্যোগ

## ডিব্ৰুগড়ত পৌৰপতিৰ উপস্থিতিত শতাধিক ছাত্ৰ-ছাত্ৰীৰ স্বচ্ছতাৰ শপত

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ এখন পৰিষ্কাৰ-পৰিচ্ছন্ন, সুন্দৰ সেউজীয়া সমাজ গঢ়ি তোলাৰ স্বাৰ্থত ডি এইছ এছ কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ উদ্যোগত ২৭ ছেপ্টেম্বৰত কানৈ মহাবিদ্যালয় প্ৰাংগণত 'স্বচ্ছতাৰ শপত' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকাৰ উপস্থিতিত মহাত্মা গান্ধীয়ে এনে এখন ভাৰতৰ সপোন দেখিছিল, যিখন ভাৰত কেৱল মুক্ত নহয়, বৰঞ্চ পৰিষ্কাৰ আৰু বিকশিত', 'মহাত্মা গান্ধীয়ে ভাৰত মাতৃৰ বাবে স্বাধীনতা নিশ্চিত কৰিছিল। এতিয়া দেশখন পৰিপাটি আৰু পৰিষ্কাৰ কৰি ৰাখি ভাৰত মাতৃৰ সেৱা কৰাটো আমাৰ কৰ্তব্য।' 'মই শপত খাই কৈছোঁ যে, মই পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি দায়বদ্ধ আৰু নিষ্ঠাবান হৈ থাকিম আৰু ইয়াৰ বাবে প্ৰয়োজনীয় সময়ো ব্যয় কৰিম', মই প্ৰতি বছৰে ১০০ ঘণ্টা অৰ্থাৎ সপ্তাহত দুঘণ্টা সময় পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে স্বেচ্ছাই কাম কৰিম', 'মই নিজেও লেতেৰা নকৰোঁ আৰু আনকো কৰিবলৈ নিদিওঁ', 'প্ৰথমে মই নিজে, তাৰ পাছত মোৰ পৰিয়াল, মোৰ চুবুৰি, মোৰ গাঁও আৰু মোৰ কৰ্মস্থলৰ পৰা এই কাম আৰম্ভ কৰিম', 'মই বিশ্বাস কৰোঁ যে পৃথিৱীৰ যিবোৰ দেশ পৰিষ্কাৰ বুলি জনাজাত সেইবোৰ দেশৰ নাগৰিকে নিজেও লেতেৰা নকৰে, আৰু আনকো কৰিবলৈ নিদিয়ে', 'এই দৃঢ় বিশ্বাসেৰে মই স্বচ্ছ ভাৰত অভিযানৰ বাৰ্তা চহৰে-নগৰে প্ৰচাৰ কৰিম', 'আজি মই লোৱা এই শপত আন ১০০ গৰাকী ব্যক্তিকো গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিম', 'তেওঁলোকেও যাতে মোৰ দৰেই ১০০ ঘণ্টা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে উচৰ্গা কৰে তাৰো চেষ্টা অব্যাহত ৰাখিম', 'মই নিশ্চত যে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে লোৱা মোৰ এই পদক্ষেপে সমগ্ৰ দেশকে পৰিষ্কাৰ কৰি ৰখাত সহায় কৰিব।' ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ডাঃ সৈকত পাত্ৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শশীকান্ত শইকীয়াই শতাধিক ছাত্ৰ-ছাত্ৰীক স্বচ্ছতাৰ এই শপত বাক্য পাঠ কৰোৱায়। পৰশা কোঁৱৰে আঁতধৰা অনুষ্ঠানত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ চন্দন পাঠক, কবি মৃদুল শৰ্মা, অধ্যাপক পৰাগজ্যোতি চুতীয়াকে ধৰি ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ, ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ বহুকেইগৰাকী বিষয়ববীয়া মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী উপস্থিত থাকে।

ন্ধে

কাভ

ইচেই, অসমীয়া
কৰা নহ'ব আদি
ল কৰি তোলে।
আছুৱ সাধাৰণ
ৰাজ্যৰ লগতে
ড়যন্ত্ৰমূলকভাৱে
কৰক। ৰাজ্যত
কোনোপধ্যেই
যদি তিনিচুকীয়া
বিদ্যালয় বন্ধৰ
যোগত অনাগত
বলৈ বাধ্য হ'ম।

য় সীমা

স্বৰৰ

য়ী স্ব



পায়